# অধ্যায় ১০ ঃ কৌটিল্যৰ অর্থশাস্ত্র (প্রথম অধিকৰণৰ পাঠ্যাংশৰ আলোচনা)

## অধ্যায় গাঁথনি


১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ 'ৱিদ্যাসমুদ্দেশঃ' নামৰ অংশটোৰ সংস্কৃত পাঠ

- ১০.৩.১ আন্বীক্ষিকী স্থাপনা
- ১০.৩.২ ত্রয়ীস্থাপনা
- ১০.৩.৩ বার্তাদণ্ডনীতিস্থাপনা

১০.৪ 'ৱিদ্যাসমুদ্দেশঃ' নামৰ অংশটোত থকা সংস্কৃত পাঠৰ অসমীয়া অনুবাদ

- ১০.৪.১ আন্বীক্ষিকীস্থাপনা
- ১০.৪.২ ত্রয়ীস্থাপনা
- ১০.৪.৩ বার্তাদণ্ডনীতিস্থাপনা

১০.৫ কিছুমান গুৰুত্বপূর্ণ বাক্যৰ অসমীয়া ব্যাখ্যা

১০.৬ শব্দার্থ তালিকা

১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৮ অধিক জানিবলৈ

১০.৯ অগ্রগতিৰ খতিয়ান

১০.১০ আর্হি প্রশ্ন


## ১০.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- অর্থশাস্ত্রৰ প্রথম অংশত থকা 'ৱিদ্যাসমুদ্দেশঃ' শীর্ষক পাঠটোৰ বিষয়বস্তু সম্পর্কে জানিব পাৰিব
- এই অংশত থকা সংস্কৃত পাঠৰ লগত পৰিচিত হ'ব
- প্রয়োজনীয় পাঠ্যাংশৰ অসমীয়া অনুবাদৰ বিষয়ে অবগত হ'ব
- এই অংশত থকা কৌটিল্যৰ কিছুমান গুৰুত্বপূর্ণ ৰচনাৰ প্রকৃত অর্থ জানিব পাৰিব
- কিছুমান গুৰুত্বপূর্ণ বাক্যৰ অসমীয়া ব্যাখ্যা কেনেদৰে লিখিব লাগে সেই বিষয়েও জানিব,লগতে কঠিন শব্দবোৰৰ অর্থ বুজিব পাৰিব।

## ১০.২ পৰিচয়

আপুনি ইতিমধ্যে সংস্কৃত ভাষাত লিখা বিভিন্ন গ্রন্থৰ লগতে অর্থশাস্ত্র নামৰ গ্রন্থখনৰ বিষয়েও সাধাৰণভাৱে জানিব পাৰিছে। কৌটিল্য বিৰচিত এই গ্রন্থৰ মুখ্য বিষয়বস্তু হ'ল ৰাজনীতি

ব দণ্ডনীতি। প্রাচীন ভাৰতীয় প্রেক্ষাপটত ৰজাৰ শাসনপদ্ধতি কেনেকুৱা আছিল বা সার্থক ৰজা এজনৰ ৰাজ্য শাসন প্রক্রিয়া কেনে হ'ব লাগে সেই বিষয়ে আচার্য কৌটিল্যই তেওঁৰ এই গ্রন্থত আলোচনা কৰিছে। ৰাজ্যশাসন পদ্ধতিৰ লগত আনুষঙ্গিক ভাৱে জড়িত হৈ থকা বহুতো কথাৰ অৱতাৰণা কৰি মহামতি কৌটিল্যই তেওঁৰ অর্থশাস্ত্রৰ বিষয়বস্তুক এক বিশেষ গাম্ভীর্য্য প্রদান কৰিছে। সেই কাৰণে অতি প্রাচীনকালত ৰচিত হ'লেও এইখন গ্রন্থ যুগে যুগে মানুহৰ কামত লাগিছে আৰু বর্তমানলৈকে বিভিন্ন পণ্ডিত-গৱেষক আদিয়ে এইখন গ্রন্থক বিষয়বস্তু হিচাপে লৈ বহুতো গৱেষণাপত্র, প্রবন্ধ, শোধগ্রন্থ আদি আগবঢ়াইছে। সেইফালৰ পৰা বিচাৰ কৰি ক'ব পৰা যায় যে আচার্য কৌটিল্যৰ অর্থশাস্ত্রৰ গুৰুত্ব আজিও সমানভাৱে অনুভৱ কৰা যায়। এই গ্রন্থৰ বিষয়বস্তুৰ আ�ৰম্ভণিতেই 'বিদ্যাসমুদ্দেশঃ' নামৰ অংশটো আছে। উক্ত অংশত মহামতি কৌটিল্যই প্রাচীন ভাৰতত প্রচলিত বিদ্যাসমূহৰ বিষয়ে কৈ এই ক্ষেত্রত তেওঁৰ নিজৰ অভিমত দাঙি ধৰিছে। সমগ্র অর্থশাস্ত্রৰ ভিতৰতেই এই অংশটোৰ এটি বিশেষ স্থান আছে। কাৰণ উক্ত অংশটোত আন্বীক্ষিকী, ত্রয়ী, বার্তা আৰু দণ্ডনীতি নামৰ চাৰিটা বিদ্যাৰ বিষয়ে বিস্তৃত আলোচনা আছে। এই আলোচনাৰ পৰা জনা যায় যে দণ্ডৰ প্রাধান্য আন সকলো বিদ্যাৰ ক্ষেত্রতেই বর্তমান আৰু এই দণ্ডৰ নীতিয়েই হ'ল দণ্ডনীতি। যিটোক কৌটিল্যই সমগ্র অর্থশাস্ত্রৰ বিষয়বস্তু হিচাপে গ্রহণ কৰিছে। এই অধ্যায়টিত আপুনি 'বিদ্যাসমুদ্দেশঃ' নামৰ অংশটোৰ লগত পৰিচিত হ'ব।

## ১০.৩ 'ৱিদ্যাসমুদ্দেশঃ' নামৰ অংশটোৰ সংস্কৃত পাঠ

এই অধ্যায়ত 'ৱিদ্যাসমুদ্দেশঃ' নামৰ পাঠ্যাংশৰ মূলখিনি দিয়া হ'ব।

### ১০.৩.১ আন্বীক্ষিকীস্থাপনা

***আন্বীক্ষিকী***ত্রয়ী ৰার্তা দণ্ডনীতিশ্চেতি ৱিদ্যাঃ।ত্রয়ী ৰার্তা দণ্ডনীতি শ্চেতি মানৱাঃ —ত্রয়ীৱিশেষো হ্যান্বীক্ষিকীতি (হি আন্বীক্ষিকী ইতি) বার্তা দণ্ডনীতিশ্চেতি (দণ্ডনীতিঃ চ ইতি) ৰার্হস্পত্যাঃ সংৱৰণমাত্রং হি ত্রয়ী লোকযাত্রাৱিদ ইতি। দণ্ডনীতিৰেকা ৱিদ্যেত্যৌশনসাঃ (ৱিদ্যা ইতি ঔশনসাঃ)। তস্যাং হি সর্ৱৱিদ্যাৰম্ভাঃ প্রতিবদ্ধা ইতি। চতস্র এৱ ৱিদ্যা ইতি কৌটিল্যঃ। তাভি ধর্মার্থৌ যদ্ ৱিদ্যাৎ তদ্ ৱিদ্যানাং ৱিদ্যাত্বম্। সাংখ্যং যোগো লোকায়তং চেত্যান্বীক্ষিকী (চ ইতি আন্বীক্ষিকী)। ধর্মাধর্মৌ ত্রয়্যামর্থানর্থৌ (ত্রয্যাম্ অর্থ-অনর্থৌ) ৰার্তায়াং নয়াপনয়ৌ দণ্ডনীত্যাম্। বলাবলে চৈতাসাং (চ ত্রতাসাং) হেতুভিৰন্বীক্ষমাণান্বীক্ষিকী (হেতুভিঃ অন্বীক্ষমাণা আন্বীক্ষিকী) লোকস্যো পকৰোতি (লোকস্য উপকৰোতি)। ৱ্যসনেহ ভ্যুদয়ে (ব্যসনে অভ্যুদয়ে) চ বুদ্ধিমৱস্থাপয়তি (বুদ্ধিম্ অৱস্থাপয়তি), প্রজ্ঞাৱাক্য ক্রিয়াৱৈশাৰদ্যং চ কৰোতি।

প্রদীপঃ সর্ৱৱিদ্যানামুপায়ঃ (সর্ববিদ্যানাম্ উপায়ঃ) সর্ৱকর্মণাম্
আশ্রয় ঃ সর্ৱধর্মাণাং শশ্বদান্বীক্ষিকী (শশ্বৎ আন্বীক্ষিকী) মতা।।



*আন্বীক্ষিকী ঃ* আন্বীক্ষিকীয়ে সাধাৰণতে তর্কবিদ্যাক বুজায়। ইয়াত তর্কৰ ওপৰত প্রতিষ্ঠিত দর্শনসমূহক সূচাইছে।

## ১০.৩.২ ত্রয়ীস্থাপনা

সামর্গ্যজুর্ৱেদাস্ত্রয়স্ত্রয়ী (সাম-ঋক্-যজুর্ৱেদাঃ ত্রয়ঃ ত্রয়ী) অথর্ৱৱেদেতিহাসৱেদৌ (অথর্ৱৱেদ-ইতিহাসৱেদৌ) চ ৱেদাঃ। শিক্ষা কল্পো ৱ্যাকৰণং নিৰুক্তং ছন্দোৱিচিতির্জ্যোতিষমিতি (ছন্দোৱিচিতিঃ জ্যোতিষম্ ইতি) চাঙ্গানি (চ অঙ্গানি)। এষ ত্রয়ীধর্মশ্চতুর্ণাং ৱর্ণানামাশ্রমানাং (ৱর্ণানাম্ আশ্রমানাং) চ স্বধর্মস্থাপনাদৌপকাৰিকঃ (স্বধর্মস্থাপনাৎ ঔপকাৰিকঃ)। স্বধর্মো ব্রাহ্মণস্যাধ্যয়নমধ্যাপনং (ব্রাহ্মণস্য অধ্যয়নম্ অধ্যাপনম্) যজনং যাজনং দানং প্রতিগ্রহশ্চ (প্রতিগ্রহঃ চ)। ক্ষত্রিয়স্যাধ্যয়নং (ক্ষত্রিয়স্য অধ্যয়নম্) যজনং দানং শস্ত্রাজীৱো ভূতৰক্ষণং চ। ৱৈশ্যস্যাধ্যয়নং (বৈশ্যস্য অধ্যয়নং) যজনং দানং কৃষিপাশুপাল্যে ৱণিজ্যা চ। শূদ্রস্য দ্বিজাতিশুশ্রূষা ৱার্তা কাৰুকুশীলৱকর্ম চ। গৃহস্থস্য স্বধর্মাজীৱস্তুল্যৈৱসমানর্ষিভির্ৱৈৱাহ্যমৃতুগামিত্বং (স্বধর্মাজীৱঃ তুল্যৈঃ অসমান-ঋষিভিঃ ৱৈৱাহ্যম্ ঋতুগামিত্বং) দেৱপিত্রতিথিপূজা ভৃত্যেষু ত্যাগঃ শেষভোজনং চ। ব্রহ্মচাৰিণঃ স্বাধ্যায়োহ গ্নিকার্যাভিষেকৌ (স্বাধ্যায়ঃ অগ্নিকার্যঅভিষেকৌ) ভৈক্ষব্রতিত্বমাচার্যে (ভৈক্ষব্রতিত্বম্ আচার্যে) প্রাণান্তিকী বৃত্তিস্তদভাৱে গুৰুপুত্রে সব্রহ্মচাৰিণি ৱা। ৱানপ্রস্থস্য ব্রহ্মচর্যং ভূমৌ শয্যা জটাজিনধাৱণমগ্নিহোত্রাভিষেকৌ (জটাজিনধাৱণম্ অগ্নিহোত্র-অভিষেকৌ) দেৱতাপিত্রতিথিপূজা ৱন্যশ্চাহাৱঃ (ৱন্যঃ চ আহাৱঃ)। পৰিব্রাজকস্য জিতেন্দ্রিয়ত্বমনাৱস্তো নিষ্কিঞ্চনত্বং সঙ্গত্যাগো ভৈক্ষব্রতমনেকত্রাৱণ্যে (ভৈক্ষব্রতম্ অনেকত্র অৱণ্যে) চ ৱাসো বাহ্যাভ্যন্তৱং চ শৌচম্। সর্ৱেষাম্ অহিংসা সত্যং শৌচমনসূয়ানৃশংস্যং (শৌচম্ অনসূয়া অনৃশংস্যং) ক্ষমা চ। স্বধর্মঃ স্বর্গায়ানন্ত্যায় (স্বর্গায় আনন্ত্যায়) চ। তস্যাতিক্রমে (তস্য অতিক্রমে) লোকঃ সংকৱাদুচ্ছিদ্যেত (সংকৱাত্ উচ্ছিদ্যেত)।

তস্মাৎস্বধর্মং ভূতানাং ৱাজা ন ৱ্যভিচাৱয়েৎ।
স্বধর্মং সংদধানো হি প্রেত্য চেহ চ নন্দতি।।
ৱ্যৱস্থিতার্যমর্যাদঃ কৃতৱর্ণাশ্রমস্থিতিঃ।
ত্রয্যাভিৱক্ষিতো লোকঃ প্রসীদতি ন সীদতি।।

## ১০.৩.৩ ৱার্তাদণ্ডনীতিস্থাপনা

কৃষিপাশুপাল্যে ৱণিজ্যা চ ৱার্ত্তা, ধান্যপশুহিৱণ্যকুপ্যৱিষ্টিপ্রদানাদৌপকাৰিকী (ধান্য-পশু-হিৱণ্য-কুপ্য-বিষ্টিপ্রদানাৎ ঔপকাৰিকী)। তয়া স্বপক্ষং পৱপক্ষং চ ৱশীকৱোতি কোশদণ্ডাভ্যাম্। আন্ৱীক্ষিকীত্রয়ীৱার্ত্তানাং যোগক্ষেমসাধনো দণ্ডঃ, তস্য নীতির্দণ্ডনীতিঃ, অলব্ধলাভার্থা লব্ধপৰিৱক্ষণী ৱক্ষিতৱিৱর্ধনী বৃদ্ধস্য তীর্থে প্রতিপাদনী চ। তস্যামায়ত্তা (তস্যাম্ আয়ত্তা) লোকযাত্রা। 'তস্মাল্লোকযাত্রার্থী (তস্মাৎ লোকযাত্রার্থী) নিত্যমুদ্যতদণ্ডঃ (নিত্যম্ উদ্যতদণ্ডঃ) স্যাৎ। ন হ্যেৱংৱিধং (হি এবং ৱিধম্) বশোপনয়নমস্তি (বশোপনয়নম্

অস্তি) ভূতানাং যথা দণ্ডঃ।' ইত্যাচার্যাঃ (ইতি আচার্যাঃ)। নেতি (ন ইতি) কৌটিল্যঃ। তীক্ষ্ণদণ্ডো হি ভূতানামুদ্বেজনীয়ো (ভূতানাম্ উদ্বেজনীয়ঃ) ভৱতি। মৃদুদণ্ডঃ পৰিভূয়তে। যথাহদণ্ডঃ পূজ্যতে। সুৰিজ্ঞাতপ্রণীতো হি দণ্ডঃ প্রজা ধর্মার্থকামৈর্যোজয়তি (ধর্মার্থকামৈঃ (যোজয়তি)। দুষ্প্রণীতঃ কামক্রোধাভ্যাম্ৱ জ্ঞানাদ্বা (কামক্রোধাভ্যাম্ অৱজ্ঞানাৎ বা) ৱাণপ্রস্থ পৰিব্রাজকানপি (ৱানপ্রস্থ পৰিব্রাজকান্ অপি) কোপয়তি, কিমঙ্গং পুনর্গৃহস্থান্ (পুনঃ গৃহস্থান্)। অপ্রণীতস্তু (অপ্রণীতঃ তু) মাৎস্যন্যায়মুদ্ভাৱয়তি (মাৎস্যন্যায়ম্ উদ্ভাৱয়তি)। বলীয়ান্ অবলং হি গ্রসতে দণ্ডধৰাভাৱে (দণ্ডধৰ-অভাৱে)। স তেন গুপ্তঃ প্রভৱতীতি (প্রভৱতি ইতি)।

চতুর্ৱর্ণাশ্রমো লোকো ৱাজ্ঞা দণ্ডেন পালিতঃ।
স্বধর্মকর্মাভিৱতো ৱর্ততে স্ৱেষু ৱর্ত্মসু।।

## ১০.৪ 'ৱিদ্যাসমুদ্দেশঃ' নামৰ অংশটোত থকা সংস্কৃত পাঠৰ অসমীয়া অনুবাদ

এইখিনিতে 'ৱিদ্যাসমুদ্দেশঃ' নামৰ পাঠ্যাংশত থকা সংস্কৃতমূলৰ অসমীয়া অনুবাদ আগবঢ়োৱা হ'ল।

### ১০.৪.১ আন্ৱীক্ষিকীস্থাপনা

আন্ৱীক্ষিকী, ত্রয়ী, ৱার্তা আৰু দণ্ডনীতি—এয়া (চাৰি প্রকাৰৰ) ৱিদ্যা। মানৱসকলৰ (মনু আৰু তেওঁৰ শিষ্যৰ) মতে ত্রয়ী, ৱার্তা আৰু দণ্ডনীতি (এই তিনিটা ৱিদ্যা)। (কাৰণ তেওঁলোকৰ মতে) ত্রয়ী-বিশেষেই (ত্রয়ীৰ অন্তর্ভুক্ত) হ'ল আন্ৱীক্ষিকী। ৱার্হস্পত্যসকলে (বৃহস্পতি আৰু তেওঁৰ শিষ্য) কয় ৱার্তা আৰু দণ্ডনীতিয়েই (ৱিদ্যা)। কাৰণ সাংসাৰিক ব্যৱহাৰ জনাসকলৰ (ৱার্তা আৰু দণ্ডনীতিত অভিজ্ঞসকলৰ) সংৱৰণমাত্র (আচ্ছাদন বা আৱৰণ) হ'ল ত্রয়ী। ঔশনসকলৰ (ঔশনস্ আৰু তেওঁৰ শিষ্যৰ) মতে দণ্ডনীতিয়েই হ'ল একমাত্র ৱিদ্যা, তাতেই (আন) সকলোৱিদ্যাৰ আৱম্ভণি প্রতিষ্ঠিত (হৈ আছে)। কৌটিল্যৱমতে চাৰিটাই ৱিদ্যা। সেইসমূহৰ দ্বাৰা ধর্ম আৰু অর্থ যিহেতুকে জনা যায় গতিকে ৱিদ্যাসমূহৰ ৱিদ্যাত্ব সেইখিনিতে। সাংখ্য, যোগ আৰু লোকায়ত হ'ল আন্ৱীক্ষিকী। ত্রয়ীত ধর্ম আৰু অধর্ম, ৱার্তাত অর্থ আৰু অনর্থ আৰু দণ্ডনীতিত নয় আৰু অপনয় (প্রতিপাদিত হয়)। এইৱোৰৰ (এই ৱিদ্যাসমূহৰ) বল (প্রাধান্য) আৰু অবল (অপ্রাধান্য) হেতুৰ দ্বাৰা (অর্থাৎ যুক্তিৰ দ্বাৰা) নির্দ্ধাৰণ কৰি (আন্ৱীক্ষিকীৱিদ্যাই) মানুহৰ উপকাৰ সাধন কৰে। ব্যসনত (বিপদত) আৰু অভ্যুদয়ত (উন্নতিত) বুদ্ধিৰ স্থিৰতা সম্পাদন কৰে, জ্ঞান-ৱাক্য-ক্রিয়াৰ নৈপুণ্য (সাধন) কৰে।

আন্ৱীক্ষিকী (ৱিদ্যা) সদায়ে সকলো ৱিদ্যাৰ প্রদীপ, সকলো কর্মৰ উপায়, সকলোধর্মৰ আশ্রয় বুলি ৱিবেচিত হয়।

## ১০.৪.২ ত্রয়ীস্থাপনা

সাম-ঋক-যজুর্বেদ— (এই) তিনিটা (হল) ত্রয়ী। অথর্ববেদ আৰু ইতিহাসো বেদ (পর্য্যায়ভুক্ত)। শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দঃশাস্ত্র আৰু জ্যোতিষ (এই ছটা হ'ল (বেদৰ) অঙ্গ। ত্রয়ীৰ (ত্রয়ীবিদ্যাত থকা) ধর্মই চাৰিটা বর্ণৰ আৰু আশ্রমৰ নিজৰ নিজৰ ধর্মস্থাপন কৰে = (অর্থাৎ চাৰিবর্ণৰ তথা চাৰি ***আশ্রম***ৰ স্ব-স্ব ধর্মত সকলোকে স্থিৰ ৰাখে কাৰণে উপকাৰী হয়)। অধ্যয়ন, অধ্যাপনা, যজন, যাজন, দান আৰু প্রতিগ্রহ হ'ল ব্রাহ্মণৰ স্বধর্ম। ক্ষত্রিয়ৰ (ধর্ম হ'ল) অধ্যয়ন, যজন, দান, শস্ত্রৰ জৰিয়তে জীৱিকানির্বাহ আৰু প্রাণীৰ ৰক্ষণাবেক্ষণ। বৈশ্যৰ (স্বধর্ম হ'ল) অধ্যয়ন, যজন, দান, কৃষি, পশুপালন আৰু বাণিজ্য। শূদ্রৰ (স্বধর্ম হ'ল) দ্বিজাতিৰ (ব্রাহ্মণৰ) শুশ্রূষা, বার্তা, শিল্পীকর্ম আৰু ***কুশীলৱকর্ম***। গৃহস্থৰ স্বধর্ম হ'ল নিজৰ কর্মেৰে জীৱিকানির্বাহ (কৰা), নিজৰ জাতিত অথচ অসম গোত্রৰ লগত বিবাহ সম্বন্ধ, ঋতুকাল অনুসৰি স্বপত্নীগমন দেৱতা-পিতৃ-অতিথি ভূত্যসকলক দান আৰু (দানকার্যৰ পিছত) বাকী থকা বস্তুৰ ভোজন। ব্রহ্মচাৰীৰ (ধর্ম হ'ল) ***স্বাধ্যায়***, অগ্নিকার্য, স্নান, ভিক্ষাব্রত, আচার্য্যৰ ওচৰত আজীৱনকাল বৃত্তি, তেওঁৰ অভাৱত গুৰুপুত্রৰ ওচৰত অথবা সমান ব্রহ্মচাৰীৰ ওচৰত (থকা)। বানপ্রস্থৰ (ধর্ম হ'ল) ব্রহ্মচর্য্য, ভূমিত শয়ন, জটা আৰু মৃগচর্মধাৰণ, অগ্নিহোত্র, স্নান, দেৱতা-পিতৃ-অতিথিৰ পূজা আৰু বন্য (ফলমূলাদি) ভক্ষণ। পৰিব্রাজকৰ (স্বধর্ম হ'ল) ইন্দ্রিয়সংযম, কর্মবিৰতি, কোনধৰণৰ স্বত্বৰক্ষা নকৰা (নিজৰ বুলি একো নথকা), আসক্তি ত্যাগ, বহু ঠাইত (গৈ) ভিক্ষাগ্রহণ, অৰণ্যত বাস বাহিৰত আৰু ভিতৰত শুচিভাৱ। অহিংসা, সত্যতা, শুচিতা, অসূয়াহীনতা, নৃশংসভাৱ নথকা আৰু ক্ষমা হ'ল সকলোৰে ধর্ম (সাধাৰণ ধর্ম)। স্বধর্ম (পালন) স্বর্গলাভ আৰু অনন্তসুখৰ কাৰণ (হয়)। ইয়াক অতিক্রম কৰিলে সংকৰভাবেৰে (মানুহ) উচ্ছিন্ন হয় (বিনষ্ট হয়)। সেই কাৰণে ৰজাই প্রাণীসকলৰ স্বধর্মৰ ব্যভিচাৰ হ'বলৈ দিব নালাগে। কাৰণ স্বধর্মপালন কৰোৱা ৰজাই ইহলোকত আৰু পৰলোকত আনন্দ লাভ কৰে। **আর্য্যমর্য্যাদা** ব্যৱস্থা কৰা, বর্ণ আৰু আশ্রমৰ নিয়ম মনা মানুহ ত্রয়ীৰ দ্বাৰা ৰক্ষিত হয় (আৰু তেনেকুৱা মানুহ) প্রসন্ন থাকে, (কেতিয়াও) বিনষ্ট নহয়।



***আশ্রম ঃ*** ব্রহ্মচর্য্য, গার্হস্থ্য, বানপ্রস্থ আৰু সন্ন্যাস এই চাৰিটাক আশ্রম বুলি কোৱা হয়। চাৰিটা অৱস্থাক একেলগে চতুৰাশ্রম বুলি আখ্যা দিয়া হয়।

***চতুর্ণাং বর্ণানাম্ ঃ*** ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র এই চাৰিটাক বর্ণ বুলি কোৱা হয়। এই চাৰিজাতিৰ কথা একেলগে ক'লে চতুর্বর্ণ বুলি উল্লেখ কৰা হয়।

***কুশীলৱকর্ম ঃ*** নট, নর্ত্তক আদিক কুশীলৱ বুলি কোৱা হয়। তেওঁলোকৰ যিটো কর্ম অর্থাৎ নৃত্য, গীত, অভিনয় আদি সেইবোৰক কুশীলৱকর্ম বুলি কোৱা হয়।

***স্বাধ্যায় ঃ*** স্বাধ্যায় পদটোৱে বেদৰ অধ্যয়নক বুজায়।

***ব্যৱস্থিতার্য্যমর্য্যাদঃ*** = আর্য্য মর্য্যাদা পদৰ অর্থ হ'ল বিশিষ্ট মানুহৰ বাবে নির্ধাৰিত সদাচাৰ। যদি এনেকুৱা সদাচাৰ পুঙ্খানুপুঙ্খভাৱে নির্দিষ্ট আৰু পালিত হৈ থাকে তেতিয়া তাকেই কোৱা হয় 'ব্যৱস্থিতার্যমর্যদাঃ'।

## ১০.৪.৩ বার্তাদণ্ডনীতিস্থাপনা

কৃষি, পশুপালন আৰু বাণিজ্য হ'ল বার্তা, (এই বিদ্যা) ধান, পশু, হিৰণ্য (সোণ), কুপ্য (সোণ-ৰূপ বাদ দি বেলেগ ধাতু), বিষ্টি (কর্মকৰ বা বেতন) প্রদান কৰে কাৰণে উপকাৰক (হয়)। ইয়াৰ দ্বাৰা কোশ আৰু দণ্ডৰ সম্যক প্রয়োগ কৰি (ৰজাই) স্বপক্ষ আৰু পৰপক্ষক (শত্রুপক্ষক) বশীভূত কৰে। আন্বীক্ষিকী, ত্রয়ী আৰু বার্ত্তাৰ যোগ আৰু ক্ষেম সাধন কৰে দণ্ডই। ইয়াৰ নীতি (হ'ল) দণ্ডনীতি। (এইটো অর্থাৎ দণ্ডনীতিয়ে) লাভ নকৰা বস্তুক লাভ কৰায়, লব্ধ বস্তুৰ পৰিৰক্ষা কৰে, ৰক্ষিত বস্তুৰ বৃদ্ধি ঘটায় আৰু বৃদ্ধি

প্রাপ্ত বস্তুৰ উপযুক্ত ঠাইত বিনিয়োগ কৰে। লোকযাত্রা ইয়াৰেই আয়ত্তত (অর্থাৎ এই বিদ্যাৰ দ্বাৰাহে সাংসাৰিক জীৱন-যাত্রা পৰিচালিত হয়)। সেই কাৰণে সাংসাৰিক জীৱন-যাত্রা প্রতিষ্ঠা কৰিবলৈ ইচ্ছা কৰাজন (অর্থাৎ ৰজা) সদায় দণ্ড প্রণয়নত উদ্যোগী হ'ব লাগে। ইয়াৰ (দণ্ডৰ) দৰে আন কোনেও প্রাণীসকলক বশত ৰাখিব নোৱাৰে— এইদৰে আচার্যসকলে কয়। নহয় (বুলি কয়) কৌটিল্যই। (তেওঁৰ মতে) যিজন ৰজা তীক্ষ্ণদণ্ড তেওঁ প্রাণীসকলৰ উদ্বেগৰ কাৰণ হয়, (যিজন ৰজা) মৃদুদণ্ড তেওঁ পৰাভূত হয়। যথাযোগ্যদণ্ডদাতা পূজনীয় (হয়)। কাৰণ ভালদৰে জ্ঞাত হৈ (অর্থাৎ সুবিবেচনাৰে) প্রযুক্ত হোৱা দণ্ডই প্রজাসকলক ধর্ম, অর্থ, কামৰ দ্বাৰা যুক্ত কৰে। কামনা আৰু ক্রোধহেতুকে, অজ্ঞানতাৰ বাবে অনুপযুক্তভাৱে প্রযুক্ত দণ্ডইবানপ্রস্থত থকাসকলক আৰু পৰিব্রাজকসকলকো ক্রুদ্ধ কৰে, গৃহস্থসকলৰ কথাই নাই। (অর্থাৎ গৃহস্থসকলকতো ক্রুদ্ধ কৰেই)। দণ্ড অপ্রযুক্তহলে ***মাৎস্যন্যায়***ৰ উদ্ভৱ হয়। দণ্ডপ্রণেতাৰ অভাৱত বলবানে দুর্বলক গ্রাস কৰে। সেইজনে (ৰজাই) তাৰ দ্বাৰা (দণ্ডৰ দ্বাৰা) ৰক্ষিত হৈ প্রভাৱশালী হয়।

ৰজাই দণ্ডৰ দ্বাৰা চতুর্বর্ণৰ চতুৰাশ্রমৰ লোকক পালন কৰে। নিজৰ ধর্ম আৰু কর্মত নিযুক্ত হৈ (এনেদৰে পালিত লোকে) নিজৰ নিজৰ পথত থাকে (অর্থাৎ বিপথে নাযায়)।



***মাৎস্যন্যায়*** ঃ পানীত ডাঙৰ মাছে সৰু মাছক খাই পেলোৱাৰ নিয়মটোকেই মাৎস্যন্যায় বুলি কোৱা হয়। প্রকৃতার্থত মাৎস্যন্যায় পদটোৱে সমাজত বলীৰ দ্বাৰা দুর্বললোক শোষণৰ বলি হোৱা বিষয়টোক বুজায়।



### অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ১ ঃ** চাৰিপ্রকাৰৰ বিদ্যা কি কি?

.....

**প্রশ্ন নং ২ ঃ** ত্রয়ী শব্দৰ অর্থ কি?

.....

**প্রশ্ন নং ৩ ঃ** বিদ্যাৰ বৈশিষ্ট্য কি?

.....

**প্রশ্ন নং ৪ ঃ** আন্বীক্ষিকী কি এটা বাক্যত লিখক।

.....

**প্রশ্ন নং ৫ ঃ** খালী ঠাই পূর্ণ কৰক—

..... সর্ববিদ্যানামুপায়ঃ .....।

আশ্রয়ঃ ..... **শশ্বৎ** ..... মতা।।

**প্রশ্ন নং ৬ ঃ** বেদৰ অঙ্গসমূহ কি কি?

.....

**প্রশ্ন নং ৭ ঃ** চতুর্বর্ণ আৰু চতুৰাশ্রম বুলিলে কি বুজায়?

.....

.....

**প্রশ্ন নং ৮ ঃ** গৃহস্থৰ স্বধর্ম কি?

.....

.....

**প্রশ্ন নং ৯ ঃ** ক্ষত্রিয়ৰ স্বধর্ম কি?

.....

.....

**প্রশ্ন নং ১০ ঃ** বানপ্রস্থৰ স্বধর্ম কি লিখক।

.....

.....

**প্রশ্ন নং ১১ ঃ** 'ব্যৱস্থিতার্য্যমর্য্যাদঃ' বুলিলে কি বুজায়?

.....

**প্রশ্ন নং ১২ ঃ** দণ্ডই বাকী তিনি বিদ্যাৰ যোগক্ষেমসাধন কৰে শুদ্ধ নে অশুদ্ধ লিখক।

.....

**প্রশ্ন নং ১৩ ঃ** তীক্ষ্ণদণ্ড হ'লে ৰজাৰ কি হয়?

.....

**প্রশ্ন নং ১৪ ঃ** কেনেকুৱা ৰজা পূজনীয় হয়?

.....

**প্রশ্ন নং ১৫ ঃ** দণ্ড ভালদৰে প্রযুক্ত নহ'লে সমাজত কি হয়?

.....

**প্রশ্ন নং ১৬ ঃ** খালী ঠাই পূৰণ কৰক ঃ

..... লোকো ..... দণ্ডেন .....।

..... ৱর্ততে স্বেষু .....।।

## ১০.৫ কিছুমান গুৰুত্বপূর্ণ বাক্যৰ অসমীয়া ব্যাখ্যা

সমগ্র অর্থশাস্ত্রৰ প্রায় প্রতিটো বাক্যই বিশাল তাৎপর্য্য বহন কৰে। 'ৱিদ্যাসমুদ্দেশঃ' শীর্ষক পাঠটোতো বহুতো গুৰুত্বপূর্ণ কথা সন্নিৱিষ্ট কৰা হৈছে। উক্ত অংশটোত পাঠ্যাংশত থকা কিছুমান গুৰুত্বপূর্ণ বাক্যৰ অসমীয়া ব্যাখ্যা দিয়া হ'ল।

**১) চতস্র এৱ বিদ্যা ইতি কৌটিল্য**

কৌটিল্যৰ মতে বিদ্যা কেইবিধ সেই বিষয়ে ইয়াত সিদ্ধান্ত দিয়া হৈছে। বিদ্যাৰ সংখ্যা বিভাজন লৈ পণ্ডিতসকলৰ মাজত মতভেদ দেখা যায়। কাৰণ প্রাচীন আচার্য্যসকলে বিদ্যাৰ প্রকাৰভেদ লৈ বিভিন্ন ধৰণৰ মত আগবঢ়াইছে। আচার্য্য মনু আৰু তেওঁৰ অনুগামীসকলৰ মতে ত্রয়ী, বার্তা আৰু দণ্ডনীতি এই তিনিটা হ'ল বিদ্যা। তেওঁলোকে আন্ৱীক্ষিকীক ত্রয়ীৰ ভিতৰতে গ্রহণ কৰিছে। আকৌ আচার্য্য বৃহস্পতি আৰু তেওঁৰ

শিষ্যসকলৰ মতে বার্তা আৰু দণ্ডনীতি এই দুবিধেই হ'ল বিদ্যা। তেওঁলোকৰ মতে ত্রয়ীক পৃথক বিদ্যা হিচাপে স্বীকৃতি দিয়াৰ যুক্তিযুক্ততা নাই কাৰণ ত্রয়ীয়ে কেৱলমাত্র 'নাস্তিক' — এই নিন্দাসূচক অভিধাৰ পৰাহে মানুহক ৰক্ষা কৰে, আন কোনো প্রয়োজন ত্রয়ীৰ নাই। ঔশনস্ বা শুক্রাচার্যৰ মতে আকৌ একমাত্র বিদ্যা হ'ল দণ্ডনীতি কাৰণ এই দণ্ডনীতিৰ ভিতৰতেই আন বিদ্যাসমূহৰ আৰম্ভ নিবিষ্ট হৈ থাকে। কিন্তু পূর্বাচার্য্যসকলৰ সকলো মত খণ্ডন কৰি আচার্য্য কৌটিল্য এই সিদ্ধান্তত উপনীত হৈছে যে বিদ্যা চাৰি প্রকাৰৰ— আন্বীক্ষিকী, ত্রয়ী, বার্তা আৰু দণ্ডনীতি। ইয়াৰ ভিতৰত সাংখ্য, যোগ আৰু লোকায়তক একেলগে আন্বীক্ষিকী বোলা হয়, ঋগবেদ, সামবেদ আৰু যজুর্বেদক একত্রিতভাৱে ত্রয়ী বোলে, কৃষি-পশুপালন আৰু বাণিজ্যকর্মক বার্তা বোলা হয় আৰু দণ্ডবিষয়ক নীতিয়েই হ'ল দণ্ডনীতি। সমাজত এই চাৰিটা বিদ্যাৰেই সমান প্রয়োজন আছে কাৰণ প্রত্যেকটো বিদ্যাই সমাজত থকা মানুহক বিশেষ বিশেষ বিষয়ত জ্ঞান দিয়ে।

২) **প্রদীপঃ সর্ৱৱিদ্যানামুপায়ঃ সর্ৱকর্মণাম্।**
**আশ্রয়ঃ সর্ৱধর্মানাং শশ্ৱদান্ৱীক্ষিকী মতা।।**

কৌটিল্যপ্রণীত অর্থশাস্ত্রৰ ৱিনয়াধিকৰণৰ অন্তর্গত 'ৱিদ্যাসমুদ্দেশঃ' অংশৰ আন্বীক্ষিকীস্থাপনা প্রসঙ্গত প্রযুক্ত হোৱা শ্লোকটোৰ অর্থ হ'ল— আন্বীক্ষিকী নামৰ বিদ্যাটো আন আন বিদ্যাৰ প্রদীপ স্বৰূপ।এই বিদ্যা সকলোধৰণৰ কর্মৰ উপায় বা সাধন আৰু এই আন্বীক্ষিকী বিদ্যাক সকলো ধর্মৰ আশ্রয় বুলি বিবেচনা কৰা হয়। সাংখ্য, যোগ আৰু লোকায়তক একেলগে আন্বীক্ষিকী বুলি অভিহিত কৰা হয়। এই বিদ্যাটোৱে ত্রয়ী, বার্তা আৰু দণ্ডনীতিক প্রকাশ কৰে। অর্থাৎ আন বিদ্যাসমূহৰ প্রামাণ্য স্বৰূপ আন্বীক্ষিকীৰ অধীনত। সেই কাৰণে আন্বীক্ষিকীক সকলো বিদ্যাৰ প্রকাশক বুলি কোৱা হয়। আকৌ এই পৃথিৱীত মানুহে কৰা সকলো কাম বা বৃত্তিৰ উপায় নিহিত হৈ আছে আন্বীক্ষিকীত। এই বিদ্যাই প্রজ্ঞা-বাক্য আৰু নৈপুণ্য দিয়ে কাৰণে ইয়াক বিদ্যাসমুদ্ভূত সকলো কর্মৰ উপায় বুলি আখ্যা দিয়া হৈছে। সকলো বিদ্যাক উপকৃত কৰা কাৰণে এই বিদ্যাক সকলো ধর্মৰ আশ্রয় বুলি কোৱা হৈছে। শাশ্ৱতিক এই আন্বীক্ষিকী বিদ্যা আন সকলো বিদ্যা-কর্ম আৰু ধর্মৰ মূলভূতা।

৩) **ৱ্যৱস্থিতার্যমর্যাদঃ কৃতৱর্ণাশ্রমস্থিতিঃ।**
**ত্রয়্যাভিৱন্নিতো লোকঃ প্রসীদতি ন সীদতি।।**

'ত্রয়ীস্থাপনা' নামৰ অংশটোত প্রযুক্ত হোৱা এই শ্লোকটোৰ অর্থ হ'ল যিসকললোক সদাচাৰনিয়ম অনুসৰণ কৰে, বর্ণাশ্রমবিধি যথাযোগ্যভাৱে আচৰণ কৰে আৰু ঋগ-সাম-যজুর্বেদত বিহিত নিয়মৰ দ্বাৰা ৰক্ষিত হয় তেওঁলোক সদায় আনন্দত থাকে আৰু তেওঁলোকৰ ধ্বংস নাই। অর্থাৎ সদাচাৰ অনুসৰণ কৰি নিজৰ নিজৰ বর্ণ আৰু আশ্রমৰ বাবে নির্দিষ্ট হোৱা নিয়মবোৰ মানি বেদবিহিত বিধিৰ দ্বাৰা ৰক্ষিত হোৱা মানুহৰ মন সদায় প্রসন্নতাৰে ভৰি থাকে। এনেকুৱা মানুহে নির্ভয়ে থাকি সকলো আনন্দৰ আস্বাদ

গ্রহণ কৰে আৰু কোনো অৱস্থাতেই এনেকুৱা মানুহ বিনষ্ট নহয়। সমাজত এটা বিশেষস্থানৰ অধিকাৰী হৈ এনেকুৱা মানুহে আনন্দত জীৱন অতিবাহিত কৰে।

৪) **আন্বীক্ষিকী ত্রয়ী ৱার্তানাং যোগক্ষেমসাধনো দণ্ডঃ**

'ৱার্ত্তাদণ্ডনীতিস্থাপনা' শীর্ষক অংশত প্রযুক্ত হোৱা কৌটিল্যৰ এই বচনৰ অর্থ হ'ল আন্বীক্ষিকী, ত্রয়ী আৰু বার্ত্তা নামৰ বিদ্যাৰ যোগসাধনকাৰী আৰু ক্ষেমসাধনকাৰী হ'ল দণ্ড। শাস্ত্রত কোৱা হয় 'অলব্ধলাভো যোগঃ', 'লব্ধপৰিপালনং ক্ষেমঃ'। অর্থাৎ লাভ নকৰা বস্তুৰ প্রাপ্তিকেই যোগ বুলি কোৱা হয় আৰু লাভ কৰা বস্তুৰ পৰিপালনক ক্ষেমপদেৰে বুজোৱা হয়। যোগক্ষেমপদ দুটাই যথাক্রমে প্রাপ্তি আৰু পৰিপালনক সূচায়। কৌটিল্যৰ মতে দণ্ড হ'ল আন্বীক্ষিকী আদি তিনিটা বিদ্যাৰ প্রাপ্তিসাধক আৰু পালনকর্ত্তা। অর্থাৎ দণ্ডৰ জৰিয়তেহে আন্বীক্ষিকী আদি বিদ্যাসমূহৰ প্রাপ্তি হয় আৰু প্রতিফলন হয়। সমাজত থকা মানুহে দণ্ডৰ ভয়তে বিদ্যা অর্জন কৰে আৰু দণ্ডৰ ভয়তেই বিদ্যাৰ প্রতিপালনো কৰে। প্রকৃততে দণ্ডৰ ভয়তেই মানুহে নিজৰ নিজৰ বর্ণাশ্রমধর্মৰ পৰা বিচলিত নহয়। দণ্ডৰ মাহাত্ম্যসম্বন্ধে মনুসংহিতাতো কোৱা হৈছে—

দণ্ডঃ শাস্তি প্রজাঃ সর্ৱাঃ দণ্ড এৱাভিৰক্ষতি।
দণ্ডঃ সুপ্তেষু জাগর্ত্তি দণ্ডং ধর্মং ৱিদুর্বুধাঃ।।

এনেদৰে আচার্যসকলে দণ্ড তথা দণ্ডনীতিৰ গুৰুত্ব অনুধাবন কৰিছে।

৫) **অপ্রণীতো হি মাৎস্যন্যায়মুদ্ভাৱয়তি**

'ৱার্ত্তাদণ্ডনীতিস্থাপনা' শীর্ষক অংশত এই বচনটো প্রযুক্ত হৈছে। দণ্ডৰ গুৰুত্ব সমাজত অনুধাৱন কৰি মহামতি কৌটিল্যই কৈছে যে সমাজত দণ্ড প্রযুক্ত নহ'লে মাৎস্যন্যায়ৰ সৃষ্টি হয়। প্রকৃততে সমাজত থকা সকলো মানুহকে বশত ৰাখিছে দণ্ডই। দণ্ডৰ ভয়তেই মানুহে নিজৰ নিজৰ বর্ণাশ্রমধর্মৰপৰা বিচলিত নহয়। ভালদৰে প্রযুক্ত হোৱা দণ্ডই মানুহক ধর্ম, অর্থ আৰু কামেৰে যুক্ত কৰে। অর্থাৎ ত্রিবর্গৰো সাধক হ'ল দণ্ডই। কিন্তু যদি এইদণ্ড উপযুক্ত ৰূপত প্রযুক্ত নহয় তেনেহ'লে সমাজত বলৱানে দুর্বলৰ প্রতি অবিচাৰ আৰম্ভ কৰে আৰু নিজৰ শক্তিৰ অপব্যৱহাৰ কৰি দুর্বলৰ শোষণত লাগি যায়। এই অৱস্থাকেই মাৎস্যন্যায় বুলি কোৱা হয়। পানীত যেনেদৰে ডাঙৰ মাছে সৰু মাছক খাই পেলায়, সেইদৰে মনুষ্য সমাজতো উপযুক্ত দণ্ডৰ অভাৱ হ'লে বলী আৰু দুর্বলৰ মাজত ৱৈষম্যৰ সৃষ্টি হৈ অৰাজকতাৰ উদ্ভৱ হয়। সেইকাৰণে সুসংবদ্ধ সমাজ এখনৰ বাবে প্রকৃত দণ্ডর্ধৰ ৰজা বা শাসকৰ প্রয়োজন হয়। মানৱধর্মশাস্ত্রত কোৱা হৈছে—

দুষ্যেয়ুঃ সর্ৱৱর্ণাশ্চ ভিদ্যেৱন্ সর্ৱসেতৱঃ।
সর্ৱলোকপ্রকোপশ্চ ভৱেদ্ দণ্ডস্য ৱিভ্রমাৎ।।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ১৭ ঃ** ব্যাখ্যা কৰক ঃ

ক) প্রদীপ ঃ সর্ৱৱিদ্যানামুপায়ঃ সর্ৱকর্মনাম্।
আশ্রয় ঃ সর্ৱধর্মানাং শশ্ৱদান্ৱীক্ষিকী মতা।।

খ) ৱ্যৱস্থিতার্যমর্যাদঃ কৃতৱর্ণাশ্রমস্থিতিঃ।
ত্রয্যাভিৱক্ষিতো লোকঃ প্রসীদতি ন সীদতি।।

গ) অপ্রণীতস্তু মাৎস্যন্যায়মুদ্ভাৱয়তি।

## ১০.৬ শব্দার্থ তালিকা

এই অংশত পাঠ্যাংশত ব্যৱহাৰ হোৱা কিছুমান কঠিন শব্দৰ অর্থ দিয়া হ'ল।

| **শব্দ** | **অর্থ** |
|---|---|
| সংৱৰণমাত্রম্ | কেৱল আচ্ছাদন |
| শস্ত্রাজীৱঃ | অস্ত্রশস্ত্রৰ দ্ৱাৰা জীৱিকানির্ৱাহ কৰালোকসকল। |
| ভৈক্ষ ব্রতিত্ৱম্ | ভিক্ষাব্রতধাৰণ |
| প্রাণান্তিকী | প্রাণৰ ৱা জীৱনৰ অন্তলৈকে |
| শৌচম্ | শুচিতা, পৱিত্রতা |
| প্রেত্য | পৰলোকত |
| সীদতি | ধ্ৱংস হয় |
| আয়ত্তা | অধীন |
| উদ্ৱেজনীয়ঃ | উত্তেজনাসৃষ্টিকাৰী |
| গ্রসতে | গ্রাস কৰে |
| বিষ্টি | কর্মকৰ, দৰমহাভোগী ভৃত্য আদি। |



## ১০.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- অর্থশাস্ত্রৰ ৱিনয়াধিকৰণৰ অন্তর্গত 'ৱিদ্যাসমুদ্দেশঃ' নামৰ পাঠটোৰ বিষয়ৱস্তুৰ লগত পৰিচিত হ'ল।
- এই অংশত থকা সংস্কৃত মূল পাঠটো জানিলে।
- পাঠ্যাংশৰ অসমীয়া অনুবাদ অৱগত হ'ল।

- এই অংশত থকা কিছুমান গুৰুত্বপূর্ণ বাক্যৰ অসমীয়া ব্যাখ্যাৰ বিষয়ে জানিলে।
- নির্দিষ্ট পাঠ্যাংশত ব্যৱহাৰ হোৱা কিছুমান কঠিন শব্দৰ সহজ অসমীয়া অর্থৰ লগত পৰিচিত হ'ল।



## ১০.৮ অধিক জানিবলৈ

১) কাঙ্গল, আৰ. পি., *কৌটিলীয় অর্থশাস্ত্র* (১৯৯৭), দিল্লী ঃ মোতিলাল বানাৰসী দাস পাবলিচার্ছ প্রাইভেট লিমিটেড।
২) বসু, ড° অনিল চন্দ্র, *কৌটিলীয় অর্থশাস্ত্র* (২০০১), কোলকাতা ঃ সংস্কৃত বুক ডিপো।
৩) মেনন, কে. পি., *কৌটিল্য অন্ ৰাজনীতি* (১৯৯৮), নিউ দিল্লী ঃ ৰাষ্ট্রীয় সংস্কৃত সংস্থান।
৪) ৰামচন্দ্র, শ্রীবিশ্বনাথ, *কৌটিলীয়ম্ অর্থশাস্ত্রম্*, শ্রীগীর্বাণবাগ্ধর্ধিনীসভা, বাৰানসী।



## ১০.৯ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** আন্বীক্ষিকী, ত্রয়ী, বার্ত্তা আৰু দণ্ডনীতি। (বার্তা আৰু বার্ত্তা দুটাই লিখা যায়)

**২নং প্রশ্নৰ উত্তৰ ঃ** ঋগ্বেদ, সামবেদ আৰু যজুর্বেদক একেলগে ত্রয়ী বোলে।

**৩নং প্রশ্নৰ উত্তৰ ঃ** ধর্ম আৰু অর্থৰ জ্ঞান দিয়াই হ'ল বিদ্যাৰ বৈশিষ্ট্য।

**৪নং প্রশ্নৰ উত্তৰ ঃ** সাংখ্য, যোগ আৰু লোকায়তক আন্বীক্ষিকী বোলে।

**৫নং প্রশ্নৰ উত্তৰ ঃ** প্রদীপঃ, সর্ৱকর্মনাম্, সর্ৱধর্মানাং, আন্বীক্ষিকী।

**৬নং প্রশ্নৰ উত্তৰ ঃ** বেদৰ ছটা অঙ্গ হ'ল— শিক্ষা, কল্প, ছন্দঃ, জ্যোতিষ, ব্যাকৰণ আৰু নিৰুক্ত।

**৭নং প্রশ্নৰ উত্তৰ ঃ** ব্রাহ্মণ, ক্ষত্রিয়, শূদ্র আৰু বৈশ্যক একেলগে চতুর্বর্ণ বোলা হয়। ব্রহ্মচর্য্য, গার্হস্থ্য, বানপ্রস্থ আৰু সন্ন্যাসক একেলগে চতুৰাশ্রম বোলে।

**৮নং প্রশ্নৰ উত্তৰ ঃ** গৃহস্থৰ স্বধর্ম হ'ল নিজৰ কর্মৰ দ্বাৰা জীৱিকা নির্বাহ কৰা, নিজৰ কুলৰ সমান অথচ অসমান ঋষিৰ গোত্রভূত মানুহৰ লগত বিবাহ স্থাপন কৰা, ঋতুকাল অনুসৰণ কৰি স্ত্রীসঙ্গ গ্রহণ কৰা, দেৱতা, পিতৃলোক, অতিথি আৰু ভূত্যসকলক দান কৰা আৰু দানৰ পিছত বাকী থকা বস্তু ভোগ কৰা।

**৯নং প্রশ্নৰ উত্তৰ ঃ** ক্ষত্রিয়ৰ স্বধর্ম হ'ল অধ্যয়ন, যজন, দানকার্য্য, অস্ত্রশস্ত্রৰ সহায়ত জীৱিকানির্বাহ

আৰু প্রাণীকুলৰ ৰক্ষণাবেক্ষণ।

**১০নং প্রশ্নৰ উত্তৰ ঃ** বানপ্রস্থৰ স্বধর্ম হ'ল ব্রহ্মচর্য, মাটিত শয়ন, জটা, আৰু অজিনধাৰণ, অগ্নিহোত্র আৰু স্নানকার্য সম্পাদন, দেৱতা, পিতৃকুল আৰু অতিথিপূজা আৰু বন্যফলমূল আহাৰ হিচাপে গ্রহণ।

**১১নং প্রশ্নৰ উত্তৰ ঃ** 'ব্যৱস্থিতার্যমর্যাদঃ' বুলিলে নির্দিষ্ট সদাচাৰ পালন কৰাক বুজায়।

**১২নং প্রশ্নৰ উত্তৰ ঃ** শুদ্ধ।

**১৩নং প্রশ্নৰ উত্তৰ ঃ** তীক্ষ্ণদণ্ড ৰজাই প্রাণীসকলৰ মাজত উদ্বেগৰ বা উত্তেজনাৰ সৃষ্টি কৰে।

**১৪নং প্রশ্নৰ উত্তৰ ঃ** যথাবিহিত দণ্ড দিয়া ৰজাজন সকলোৰে পূজনীয় হয়।

**১৫নং প্রশ্নৰ উত্তৰ ঃ** দণ্ড যথাবিধি প্রযুক্ত নহ'লে সমাজত মাৎস্যন্যায়ৰ সৃষ্টি হয়।

**১৬নং প্রশ্নৰ উত্তৰ ঃ** চতুর্বর্ণাশ্রমো, ৰাজ্ঞা, পালিতঃ, স্বধর্মকর্মাভিৰতো, বর্ত্মসু।

**১৭নং প্রশ্নৰ উত্তৰ ঃ** ২.৫ অংশটো দ্রষ্টব্য।



## ১০.১০ আৰ্হি প্রশ্ন

**ক) বস্তুধর্মী প্রশ্ন ঃ** (৫০ টা শব্দৰ ভিতৰত লিখক)

**প্রশ্ন ১ ঃ** 'ৱিদ্যাসমুদ্দেশঃ' পাঠটোৰ সাৰাংশ চমুকৈ লিখক।

**প্রশ্ন ২ ঃ** আন্বীক্ষিকীস্থাপনা অংশত আন্বীক্ষিকীৰ বিষয়ে কি কোৱা হৈছে?

**খ) চুটি প্রশ্ন ঃ** (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

**প্রশ্ন ১ ঃ** ত্রয়ীবিদ্যাৰ গুৰুত্বৰ বিষয়ে লিখক।

**গ) ৰচনাধর্মী প্রশ্ন ঃ** (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

**প্রশ্ন ১ ঃ** দণ্ডনীতিৰ বিষয়ে আলোচনা কৰক।

**প্রশ্ন ২ ঃ** দণ্ডৰ গুৰুত্ব সমাজত কেনেকুৱা সেই বিষয়ে আলোচনা কৰক।

*** ***** ***